# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-02-2025
**Time:** 1800 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - - -**

ooooo

মিচিং জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং উপলক্ষে আজি জনগোষ্ঠীটোৰ বসতিপ্ৰধান অঞ্চলসমূহ ঐনিতমৰ সুৰ আৰু গুমৰাগ নৃত্যৰ ছন্দত মুখৰ হৈ উঠিছে। অসমীয়া সমাজ জীৱনৰ সমন্বয়ৰ সেঁতু গঢ়ি মিচিং জনজাতীয় লোকসকলে ফাগুনৰ প্ৰথমটো বুধবাৰে এই উৎসৱ পালন কৰে। মিচিং ভাষাত আলি মানে হৈছে শস্যৰ বীজ, আঃয়েৰ অৰ্থ হৈছে গা-গছৰ ওপৰত হোৱা ফল বা গুটি আৰু লৃগাং শব্দৰ অৰ্থ হৈছে ৰোপণ কাৰ্য। এই কৃষিভিত্তিক উৎসৱৰ অংশ হিচাপে গুটি সিঁচা কাৰ্য আৰম্ভ কৰাৰ লগতে জনগোষ্ঠীটোৰ ডেকা-গাভৰু, বুঢ়া-মেঠা সকলোৱে সমূহীয়াকৈ ভোজ ভাত খাই নৃত্য-গীতেৰে আনন্দ উপভোগ কৰে। এই উৎসৱৰ সৈতে জড়িত গীত-নৃত্যসমূহে মিচিংসকলৰ ঐতিহ্য আৰু পৰম্পৰাক প্ৰতিনিধিত্ব কৰি আহিছে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু সদৌ গুৱাহাটী মিচিং কেবাঙৰ সহযোগত আজি পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আলি-আয়ে-লৃগাঙৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই মুখ্য অতিথি হিচাপে আৰু ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। মন্ত্ৰী ডাঃ পেগুৱে অনুষ্ঠানত অংশ লৈ প্ৰকৃতি আৰু মানুহৰ অভিন্ন সম্পৰ্কৰ সাংস্কৃতিক অভিব্যক্তি তথা সৃষ্টিৰ উৎসৱ আলি-আয়ে-লৃগাঙে মিচিং সমাজৰ লগতে সমগ্ৰ অসমবাসীৰ সুখ-সমৃদ্ধিৰ দিশত ইতিবাচক ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

যোৰহাট জিলাৰ বাঘচোং আলিত আজি এই উৎসৱৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই উপলক্ষে আম্পিৰ শীৰ্ষক এখন মুখপত্ৰ উন্মোচন কৰা হয়। মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত উৎসৱ আলি-আয়ে-লৃগাং উপলক্ষে শিৱসাগৰ জিলাৰ দিচাংমুখৰ লগতে জনগোষ্ঠীটোৰ বসতিপ্ৰধান অঞ্চলসমূহত উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰে। লৃগাং উপলক্ষে আজি দিচাংমুখৰ অফলাত ডেকা-গাভৰুসকলে ঐনিতম, গুমৰাগৰ ছন্দ আৰু ঢোলৰ গুমগুমনিৰে অঞ্চলটো উৎসৱমুখৰ কৰি তোলে। ডিব্ৰুগড়, চৰাইদেউ, ধেমাজি, মাজুলী, তিনিচুকীয়াকে ধৰি মিচিং জনগোষ্ঠীৰ বসতিপ্ৰধান জিলাসমূহত আজি এই উৎসৱ উপলক্ষে আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। এই উপলক্ষে জনগোষ্ঠীয় লোকসকলে হাতে বোৱা উজ্জ্বল ৰঙৰ সাজপাৰ পৰিধান কৰি সুস্বাদু খাদ্যৰ বিনিময় কৰে।

ooooo

ৰাজ্য চৰকাৰে মিচিং, ৰাভা, কাৰ্বি, তিৱা, ডিমাছা আৰু দেউৰী ভাষাক জনগোষ্ঠীকেইটাৰ বসতিপ্ৰধান অঞ্চলসমূহত বুনিয়াদী শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছে। ৰাজ্যখনৰ স্থানীয় ভাষাৰ সংৰক্ষণৰ ক্ষেত্ৰত এয়া ৰাজ্য চৰকাৰৰ উল্লেখযোগ্য পদক্ষেপ হিচাপে পৰিগণিত হৈছে। ৰাজ্যৰ বিদ্যালয় শিক্ষা বিভাগে আজি এই বিষয়ে অধিসূচনা জাৰি কৰে। বিদ্যালয় শিক্ষা বিভাগৰ অধীনৰ নিম্ন প্ৰাথমিক পৰ্যায়ৰ প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ এই ভাষাসমূহক মাধ্যম হিচাপে প্ৰৱৰ্তন কৰাৰ সুবিধা প্ৰদানৰ বাবে ২০২৫-২৬ শিক্ষাবৰ্ষত বিদ্যালয়সমূহ বাছনি কৰা হৈছে। এই অনুসৰি মিচিং ভাষাক শিক্ষাৰ মাধ্যম

হিচাপে প্ৰচলন কৰাৰ বাবে ২০০খন বিদ্যালয় বাছনি কৰা হৈছে। এই বিদ্যালয়সমূহত শিক্ষা দানৰ বাবে মিচিং, অসমীয়া আৰু ইংৰাজী ভাষা ব্যৱহাৰ কৰা হ'ব। উচ্চ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়তো মিচিং জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ মাতৃভাষাক ঐচ্ছিক বিষয় হিচাপে লৈ অধ্যয়ন কৰিব পাৰিব।

ooooo

অসম চুক্তিৰ ৬ নম্বৰ দফাত থকা অসমীয়াৰ বাবে সংৰক্ষণৰ ক্ষেত্ৰত এতিয়ালৈকে অসমীয়াৰ সংজ্ঞা নিৰূপণৰ বাবে এটা সৰ্বসন্মত সিদ্ধান্তত উপনীত হ'ব পৰা নাই। অসম বিধানসভাত আজি বিধায়ক আমিনুল ইছলামৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই এই কথা প্ৰকাশ কৰি কয়, যে চুক্তিৰ দফা অনুযায়ী অসমীয়াৰ সংজ্ঞা এতিয়ালৈকে নিৰূপণ কৰা হোৱা নাই। শ্ৰীবৰাই কয়, যে বিপ্লৱ কুমাৰ শৰ্মা কমিটীয়ে অসম চুক্তিৰ ৬ নম্বৰ দফাৰ ৰূপায়ণ সন্দৰ্ভত দাখিল কৰা প্ৰতিবেদনৰ প্ৰতিলিপি অসম চুক্তি ৰূপায়ণ বিভাগৰ ৱেবছাইটত আপলোড কৰা হৈছে। বিধায়ক আব্দুৰ ৰহিম আহমেদে উত্থাপন কৰা আন এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে ৬ নম্বৰ দফাৰ ৰূপায়ণ সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত অসম চৰকাৰৰ দুলানি বৈঠক অনুষ্ঠিত হৈছে। অসম মন্ত্ৰীসভাই ৬ নম্বৰ দফাৰ অন্তৰ্গত আৰু বিপ্লৱ শৰ্মা কমিটীৰ প্ৰতিবেদনৰ আধাৰত ৰাজ্য চৰকাৰৰ আওঁতাত পৰা ৫২টা পৰামৰ্শৰ ক্ষেত্ৰত ৰূপৰেখা তৈয়াৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু এই ৰূপৰেখা তৈয়াৰ কৰি থকা হৈছে বুলি মন্ত্ৰী বৰাই সদনক জানিবলৈ দিয়ে। যোৱা বছৰৰ ৩১ ডিচেম্বৰলৈকে অসম চুক্তিৰ অধীনত ৰাজ্যখনত প্ৰৱেশ কৰা মুঠ ১ লাখ ৬৫ হাজাৰ ৫৫১ জন লোকক বিদেশী বুলি চিনাক্ত কৰা হৈছে। ইয়াৰে ৩২ হাজাৰ ৮৭০ জন ১৯৬৬ আৰু ১৯৭১ চনৰ ভিতৰত অহা বিদেশী আৰু ১ লাখ ৩২ হাজাৰ ৬৬১ জন ১৯৭১ চনৰ পাছত অহা বিদেশী। ৰাজ্যখনৰ পৰা ২০২৪ চনৰ ৩১ ডিচেম্বৰলৈকে মুঠ ৩০ হাজাৰ ১১৫ জন বিদেশীক বহিষ্কাৰ কৰা হৈছে বুলি অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰীগৰাকীয়ে সদনত প্ৰকাশ কৰে।

বিধায়ক তেৰছ গোৱালাৰ আন এটা প্ৰশ্নৰ উত্তৰত সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী পীয়ুষ হাজৰিকাই কয়, যে অসম চৰকাৰে মৰাণ, মটক, আহোম, চুতীয়া, কোচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠীৰ ৩৬টা জনগোষ্ঠীক জনজাতি মৰ্যাদা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে। চাহ জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে নৃগোষ্ঠীয় প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে অসম চৰকাৰে ২০১১ চনৰ ২৫ জুলাইত গঠন কৰা তিনিজনীয়া সমিতিৰ প্ৰতিবেদনো ২০১২ চনৰ ১২ জানুৱাৰীত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

ooooo

উমৰাংছ'ৰ তিন কিলো কয়লা খনিত যোৱা মাহত সংঘটিত শোকাৱহ দুৰ্ঘটনাত নিহত আৰু দুজন শ্ৰমিকৰ গলিত মৃতদেহ আজি দুৰ্ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰা হয়। আমাৰ হাফলঙৰ সংবাদদাতাই জনোৱা মতে যোৱা ৬ জানুৱাৰীত এন্দুৰৰ গাঁত সদৃশ খনিটোৰ আভ্যন্তৰলৈ পানী সোমোৱাৰ ফলত তাত কাম কৰি থকা কমেও ৯ জন শ্ৰমিক আবদ্ধ হৈ পৰে। তেওঁলোকক জীৱন্তে উদ্ধাৰৰ বাবে চলোৱা সকলো প্ৰচেষ্টা ব্যৰ্থ হয়। পৰৱৰ্তী কালত চাৰিজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু সেনাবাহিনীৰ উদ্ধাৰকাৰী দলে যোৱা ৪৩ দিন অঞ্চলটোৰ পৰা মৃতদেহ উদ্ধাৰৰ বাবে অহৰহ অভিযান চলাই আছিল আৰু আজি দুজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মৃতদেহকেইটা এতিয়াও চিনাক্ত কৰিব পৰা হোৱা নাই আৰু অত্যাধুনিক পৰীক্ষাৰ দ্বাৰাহে মৃতদেহ চিনাক্ত কৰিব পৰা যাব বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooooo

সমাপ্ত